# REGIONAL NEWS UNIT
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 10-03-2024
**Time :** 06-00 Hrs

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যৰ সৰ্বাংগীণ উন্নয়ন আৰু বিকাশৰ উদ্দেশ্যেৰে হাতত লোৱা অভিলাষী কাৰ্যসূচী অসম বিকাশ যাত্ৰাৰ অধীনত আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক আৰু সাংসদে শোণিতপুৰ, মাজুলী, তিনিচুকীয়া, বাক্সা আৰু ওদালগুৰি জিলাত কেইবা কোটি টকা ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন আৰু ভূমিপূজন কৰে। এই উপলক্ষে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই শোণিতপুৰৰ ঘোঁৰামাৰীত থকা হেমবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত এখন জনসভাত অংশ লয়। অনুষ্ঠানটোত মুঠ এহেজাৰ ৩৪০ কোটি টকা ব্যয়সাপেক্ষ ৫৬টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ৩০ কোটি টকা ব্যয়সাপেক্ষ ঢেকীয়াজুলি সমষ্টিৰ চিতলমাৰীত অৱস্থিত প্ৰথমখন চৰকাৰী আদৰ্শ আৱাসিক বিদ্যালয়ৰ প্ৰশাসনিক ভৱন, অতিথি গৃহ, ছাত্ৰাবাস, শিক্ষক তথা অধ্যক্ষৰ বাবে আবাস আৰু খেলপথাৰৰ উদ্বোধন কৰা হয়। এই অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহল, তেজপুৰৰ সাংসদ পল্লৱলোচন দাস, বিধায়ক পৃথ্বীৰাজ ৰাভা, গণেশ কুমাৰ লিম্বু, কৃষ্ণকমল তাঁতী আৰু পদ্ম হাজৰিকাও উপস্থিত থাকে।

মুখ্যমন্ত্ৰীগৰাকীয়ে বাক্সাৰ অদালবাৰী খেলপথাৰত অনুষ্ঠিত এখন জনসভাত অংশ লৈ মুঠ ৩০৮ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন উন্নয়নমূলক প্ৰকল্প মুকলি কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে।

আনফালে, বিকাশ যাত্ৰাৰ অংশ হিচাপে আজি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে মাজুলীত ২২৩ কোটি টকা ব্যয়সাপেক্ষ ৩০টাতকৈও অধিক প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন আৰু ভূমি পূজন কৰে। এই অনুষ্ঠানত মন্ত্ৰী শ্ৰীমহনে মাজুলী-যোৰহাটৰ মাজত বিশ্ব বেংকৰ আৰ্থিক সাহায্যৰে সূচনা কৰা নৈশ ফেৰী সেৱাৰো শুভাৰম্ভ কৰে।

একেদৰে, তিনিচুকীয়া জিলাতো কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু ৰাজ্যৰ শ্ৰম তথা চাহ জনজাতি কল্যাণ মন্ত্ৰী সঞ্জয় কিষাণে মুঠ ২৫৯ কোটি টকা ব্যয়সাপেক্ষ বিভিন্ন প্ৰকল্প মুকলি আৰু আধাৰশিলা স্থাপন কৰে। কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী শ্ৰীতেলীয়ে অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ডিব্ৰুগড় সংমণ্ডলৰ অধীনৰ টিংৰাই ডোম গাঁৱত ২০২৩-২৪ বৰ্ষৰ কাৰণে নিৰ্ধাৰিত প্ৰায় ৭৮ লাখ টকা ব্যয়সাপেক্ষ নিৰ্মিত জলজীৱন মিছনৰ পানীযোগান আঁচনি এখন মুকলি কৰে।

০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আসন্ন বটদ্ৰৱা ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থানখনত উপস্থিত হৈ বহু প্ৰত্যাশিত বটদ্ৰৱা প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ কাম পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে, অহা ১৪ মাৰ্চত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীশ্বাহে প্ৰায় ১৮৮ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মীয়মান  বটদ্ৰৱা প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ কাম মুকলি কৰাৰ লগতে দ্বিতীয় পৰ্যায়ৰ কামৰ শুভাৰম্ভণি কৰিব। ২০২১ চনৰ ২৫ ফেব্ৰুৱাৰীত গৃহমন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে এই প্ৰকল্পৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিছিল। অভিলাষী এই প্ৰকল্পত বিশ্বৰ সৰ্বোচ্চ গুৰুআসন, সত্ৰীয়া সংস্কৃতিক প্ৰতিফলিত হোৱা বিভিন্ন কাৰুকাৰ্য খটোৱা অতিথি গৃহ, সংগ্ৰহালয়, পুথিভঁৰাল, সংস্কৃতি চৰ্চা কেন্দ্ৰ, উদ্যান আদি নিৰ্মাণ কৰা হৈছে।

গৃহমন্ত্ৰীগৰাকীৰ আগমনৰ পূৰ্বেই প্ৰকল্পটোৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতি আৰু বিভিন্ন কাম-কাজৰ খতিয়ান লোৱাৰ উদ্দেশ্যেৰে প্ৰকল্পস্থলী পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে, অসমৰ চহকী ঐতিহ্য আৰু সভ্যতাৰে সংপৃক্ত গৌৰৱ চিহ্নসমূহ পুনৰুদ্ধাৰৰ কাৰণে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বিভিন্ন প্ৰচেষ্টা হাতত লৈছে। বটদ্ৰৱা প্ৰকল্পই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থানখনৰ গৰিমা বিশ্ববাসীৰ আগত দাঙি ধৰিব।

০০০

অসম চৰকাৰৰ পঞ্চদশ আয়োগৰ অধীনত সোণাৰি পৌৰসভা এলেকাত নৱনিৰ্মিত আৰু নিৰ্মাণ হ'বলগীয়া ৩৭টা উন্নয়নমূলক প্ৰকল্প আজি সাংসদ তপন কুমাৰ গগৈয়ে শুভ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। চৰাইদেউ জিলাৰ সোণাৰি ৰাজহুৱা খেলপথাৰৰ সমীপত এই উপলক্ষে অনুষ্ঠিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি সাংসদগৰাকীয়ে সোণাৰি চহৰৰ সৰ্বাংগীণ উন্নয়নৰ বাবে পৰৱৰ্তী সময়তো এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰি চহৰখনক অচিৰেই অসমৰ এখন অগ্ৰগণ্য চহৰ কৰি গঢ়ি তোলা হ'ব বুলি মন্তব্য কৰে। অনুষ্ঠানত বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি তথা স্থানীয় ৰাইজ উপস্থিত থাকে।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া **চলন্তিকা** অনুষ্ঠানত কোৰিয়ান সংগীত শিল্পী অ'ৰাৰ সৈতে হোৱা এটা কথোপকথন প্ৰচাৰ কৰা হ'ব। তেখেতৰ সৈতে কথা পাতিব মানস প্ৰতীম শৰ্মাই।

০০০

অসমীয়া চলচ্চিত্ৰৰ ৮৯ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ১৯৩৫ চনৰ আজিৰ দিনটোতে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা পৰিচালিত প্ৰথমখন অসমীয়া চলচ্চিত্ৰ জয়মতীয়ে মুক্তি লাভ কৰিছিল। এই উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে চিনেমাখনৰ সৈতে জড়িত প্ৰতিগৰাকী কলা-কুশলীক শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০

সমাপ্ত